# ভাৰতৰ বাবে এক দফীয়া কাৰ্য যোজনা




**১. সৰ্বোত্তম ‘ঘৰুৱাকৈ উৎপন্ন’ বা ‘স্বদেশী’ *ফলপ্ৰসূ মানৱ পুঁজিয়েই হ’ল ইয়াৰ সমাধান :***

ৰাজহুৱা আৰু ব্যক্তিগত খণ্ডকে সামৰি আমি আমাৰ দেশখন চলোৱাৰ বাবে বৰ্তমান সদায়েই সৰ্বোত্তম মানৱ আৰু অতি কম খৰচৰ ‘স্বদেশী’ ফলপ্ৰসূ মানৱ পুঁজি ব্যৱহাৰ কৰিবলৈ অসমৰ্থ হওঁ।

*যেতিয়া ভৱিষ্যতে ভাৰতৰ নৱ প্ৰজন্মই ভাৰতীয় ইতিহাস পঢ়িব, তেতিয়া তেওঁলোকে জানিবলৈ পাব যে ১৯৪৭-ৰ পৰা ২০০২ চনলৈকে এই ৫৫ বছৰৰ সুদীৰ্ঘ কালছোৱাত ভাৰতৰ দ্ৰুত বৃদ্ধি-বিকাশৰ পথত বাধাৰ সৃষ্টি কৰা বিভিন্ন কাৰকৰ মাজত ইও হ’ল এটা অন্যতম !*

*আমাৰ ১১০ কোটি প্ৰজা অথচ আমি আমাৰ সৰ্বোত্তমদল সঠিক স্থানলৈ পঠিয়াবলৈ অপাৰগ হওঁ আৰু বিশ্বস্তৰৰ মানদণ্ডৰে আমাৰ ‘ঘৰখন শৃংখলিত’ কৰিব নোৱাৰোঁ।*

কোনো পৰিমাণৰ ধন বা প্ৰযুক্তিয়েই কেতিয়াও ফলপ্ৰসূ মানৱ পুঁজিৰ স্থান দখল কৰিব নোৱাৰে। প্ৰকৃতপক্ষে অতিকৈ প্ৰতিদ্বন্দ্বিতামূলক আৰু জাগতিক পৰিৱেশত অন্যান্য সম্পদ কেনেকৈ খটুৱাব লাগে ফলপ্ৰসূ মানৱ-শক্তিৰ দলে সেই কথা জানে, কিন্তু তাৰ ওলোটাতো সম্ভৱ নহয়।

**২. অৰ্থব্যৱস্থাৰ ‘ইঞ্জিন’**

সংগঠিত খণ্ডক ভাৰতৰ অৰ্থব্যৱস্থাৰ ‘ইঞ্জিন’ ৰূপে গণ্য কৰা হয়। ইয়াক বিশ্ব স্তৰৰ কৰি তোলা উচিত। ৰাজহুৱা খণ্ডত কাম কৰে মুঠতে ১.৮ কোটি লোকে আৰু ব্যক্তিগত খণ্ডত কাম কৰে প্ৰায় ৯০ লাখ লোকে। *অৰ্থাৎ এই খণ্ডত মুঠ কৰ্ম সংস্থান হ’ল প্ৰায় ২.৭-ৰ পৰা ২.৮ কোটি।*

এইখিনি লোকক নিজৰ কামৰ বাবে জবাবদিহি কৰি তোলা প্ৰয়োজন আৰু দক্ষতা, সুশাসন তথা সুপ্ৰশাসনৰ বাবে এওঁলোকক মানদণ্ডৰূপে ব্যৱহাৰ কৰা উচিত। ভাৰতক শাসন কৰাৰ বাবে পুঁজি তথা ৰাজহ একাউন্টৰ পৰা কেন্দ্ৰীয় আৰু ৰাজ্যিক পৰ্যায়ত www.Loksatta.org অনুযায়ী, দৈনিক ২৩০০ কোটি টকা ব্যয় কৰা হয়। এই ধন যে ন্যায্যৰূপে খৰচ কৰা হৈছে সেই বিষয়ে সন্তুষ্ট হব পৰাকৈ ভাৰতৰ জনসাধাৰণক পতিয়ন নিয়াব লাগিব।

এই খণ্ডৰ মুখ্য উদ্দেশ্য হ’ল ভাৰতৰ নাগৰিকক তথা দেশখনক যথাসম্ভৱ ভালকৈ শাসন কৰা, সেৱা কৰা তথা লাভান্বিত কৰি তোলা। চৰকাৰে কেৱল চাকৰি, শিক্ষা, স্বাস্থ্য, অৰ্থব্যৱস্থা আদি ক্ষেত্ৰত সহায় কৰি দিব পাৰে, যদিহে ই সুদক্ষ আৰু বিশ্ব স্তৰৰ হয়। আমাৰ আৰ্থিক সংশোধনৰ ক্ষেত্ৰত ই ‘বাটকটীয়া’ হৈ পৰা উচিত। বছৰি জন্ম হয় ২.৮ কোটি লোক আৰু মৰে ০.৯ কোটি লোক।

কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ ১৮০ লাখ কৰ্মচাৰী বিশ্ব স্তৰীয় মানদণ্ডৰ আৰু অতিশয় সুদক্ষ হোৱা দৰকাৰ। ভাৰতৰ ১১০ কোটি লোক তেওঁলোকৰ ওপৰত নিৰ্ভৰশীল।

## এক *India 1st* পদক্ষেপ

**৩. ভাৰতৰ মানৱ সম্পদক বিশ্বজুৰি প্ৰশংসা কৰা হয়, কিন্তু ভাৰতত !**

পৃথিৱীৰ ভিতৰতে সৰ্বশ্ৰেষ্ঠ মানৱ সম্পদ আমাৰ আছে, কিন্তু নিম্নলিখিত কিছুমান প্ৰতিবন্ধকতাৰ বাবে, আমি আমাৰ নিজৰ দেশতে তেওঁলোকক সদায় ব্যৱহাৰ কৰিব নোৱাৰোঁ।

নিৰ্মাণ তথা সেৱা দুয়োটা খণ্ডতে পৃথিৱীৰ কিছুমান সৰ্ববৃহৎ সংস্থা ভাৰতীয়সকলে চলায়। বিভিন্ন দেশত উপদেষ্টাৰূপেও ভাৰতীয়সকলে সহায় কৰে। শাসন আৰু প্ৰশাসনৰ বাবে যিয়েই সৰ্বোত্তম আৰু ফলপ্ৰসূ দল আগবঢ়ায়, তেওঁলোকেই বিজয়ী হব পাৰে।

বৰ্তমানে সদৌ বিশ্বতে সকলো ভাল ৰাজনীতিজ্ঞই প্ৰথমে অৰ্থনীতিৰ কথা কয়। সৰ্বশ্ৰেষ্ঠ ৰাজনীতিজ্ঞ আৰু নেতাসকলে ইয়াকে গুৰুত্ব দিয়ে।

বিশ্বৰ বজাৰত ভাৰতে প্ৰতিদ্বন্দ্বিতামূলক দৃষ্টিভংগী লোৱা দৰকাৰ। আমাৰ জাগতিক বাণিজ্য হ’ল মাত্ৰ ০.৮%, অথচ আমাৰ জনসংখ্যা হল বিশ্বৰ ১৭%। ভাৰতৰ জিডিপিহ’ল বিশ্বৰ জিডিপি-ৰ মাত্ৰ ১.৮%। ভাৰতত, চাহিদা বহুত বেছি, কিন্তু দৈনিক মাত্ৰ ১.৮২ আমেৰিকান ডলাৰ জনমূৰি আয় হোৱাৰ বাবে ক্ৰয় শক্তি কম। *ৱৰ্ল্ড বেঙ্কৰ সংজ্ঞা অনুযায়ী*, ১ আমেৰিকান ডলাৰতকৈ কম উপাৰ্জন কৰাসকল *দৰিদ্ৰ সীমাৰেখাৰ* তলত আছিল, কিন্তু এতিয়া ইয়াক সংশোধন কৰি ২ আমেৰিকান ডলাৰ কৰা হ’ল।

কৰ্মসংস্থান সৃষ্টি কৰাৰ বাবে ভাৰতে এছিয়া, লেটিন আমেৰিকা, মধ্য প্ৰাচ্য আৰু পূব ইউৰোপৰ প্ৰতিদ্বন্দ্বী দেশসমূহৰ লগত তাল মিলাই কৰ্মচাৰী আইনৰ মানদণ্ড নিৰূপণ কৰি লোৱা দৰকাৰ।

**৪. ভাৰতত সমস্যা সৃষ্টিকাৰী কাৰণসমূহ**

সংস্থা আৰু দেশখনৰ লোকচানৰ বিনিময়তে আনকি আমি কেতিয়াবা কিছুমান কৰ্মচাৰীলৈ অধিক সুৰক্ষা আগবঢ়াওঁ ! ভাৰতীয় সংবিধানৰ ৩১১ নং অনুচ্ছেদে কেন্দ্ৰীয় আৰু ৰাজ্যিক চৰকাৰৰ কৰ্মচাৰীলৈ সুৰক্ষা আগবঢ়ায়।

যথোপযুক্তভাৱে এই আইনৰ সংশোধন ঘটোৱা উচিত। আজিৰ দিনৰ পৰিপ্ৰেক্ষিতত এই আইন বাঞ্ছনীয় নহয়। যিহেতু ই অত্যধিক সুৰক্ষা আগবঢ়ায় মাত্ৰ ১.৭ % ভাৰতীয়লৈ (১৮০ লাখ লোকলৈ) যিসকল ৰাজ্যিক আৰু কেন্দ্ৰীয় চৰকাৰৰ কৰ্মচাৰী তথা পৰোক্ষভাৱে সংগঠিত ব্যক্তিগত খণ্ডৰ কৰ্মচাৰীলৈ (৯০ লাখ লোকলৈ), আৰু এই দুয়ো মিলি ভাৰতৰ জনসংখ্যাৰ মুঠ ২.৬% (২৭০ লাখ লোকক)-হে মাত্ৰ প্ৰতিনিধিত্ব কৰে।

*আপুনি কাম কৰকেই বা নকৰক চাকৰি যোৱাৰ কোনো ভয় নাই।*

কেতিয়াবা এই কৰ্মচাৰীসকলে আজীৱন কৰ্মসংস্থানৰ বাবে সুৰক্ষা বিচাৰে আৰু তাক লাভ কৰে, লাগিলেঃ

১. তেওঁলোকে কাম কৰক বা নকৰক।

২. তেওঁলোক সৎ হওক বা দুৰ্নীতিপৰায়ণ হওক বা ঘোচ লওঁতে হাতে-লোটে ধৰা পৰক।

৩. উপস্থিতিৰ পঞ্জীত চহী কৰি তেওঁলোক অনুপস্থিত থাকক।

৪. তেওঁলোক দক্ষ হওক না নহওক।

৫. তেওঁলোকে নিজৰ কাম ঠিকা আনক দি দিয়ক।

৬. ৰাজহুৱা সম্পত্তি ইচ্ছাকৃতভাৱে তেওঁলোকে ধ্বংস কৰক।

৭. বছৰৰ পাছত বছৰ ধৰি, বছৰি ১৫ দিন/বছৰ তেওঁলোকে অসুস্থতাৰ ছুটী লৈ থাকক। কিন্তু প্ৰতি বছৰে সঠিককৈ ১৫ দিনৰ বাবে অসুস্থ হোৱা অসম্ভৱ। (বছৰি ১৫ দিনৰ অসুস্থতাৰ ছুটী ধৰি লৈ)

৮. তেওঁলোকে উৎপাদকতা বৃদ্ধিৰ বাবে একেটা সংস্থাতে পুনঃপ্ৰশিক্ষণ, পুনঃবিস্তাৰণ আৰু পুৰ্নগঠনত বাধা দি থাকক আৰু

৯. মেনেজমেন্টক হেঁচা দিবলৈ কামত ব্যাঘাত জন্মাওক, ৰাজহুৱা উদ্যোগৰ স্থাৱৰ সম্পত্তি নষ্ট কৰক বা ভঙা-চিঙা কৰক।

কোনো দেশেই সুচাৰুৰূপে পৰিচালিত হব নোৱাৰে যদিহে কোনো এখিনি লোকক বিশেষভাৱে সুৰক্ষা দি থকা হয়। ভাৰতৰ এই ১.৭% জনসংখ্যা আনকি ‘ভোট বেঙ্ক’-ও নহয়।

কেন্দ্ৰীয় মন্ত্ৰী, সাংসদ, বিধায়ক, মিউনিচিপাল কাউঞ্চিলৰ আদি প্ৰত্যেক ৫ বছৰতে বা তাতকৈও আগতে, ৰাইজে যদিহে ইচ্ছা কৰে, সলনি কৰিব পাৰি।

*বৰ্তমানৰ প্ৰথাত কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ তথা ইয়াৰ অধীনস্থ সংস্থাৰ কৰ্মচাৰীসকললৈ জীৱনজোৰা কৰ্মসংস্থান আগবঢ়োৱা হয়, তেওঁলোকে কাম কৰক বা নকৰক কোনো কথা নাই।*

## ৫. ভাৰতৰ বাবে কাৰ্য যোজনা

***শোষণৰ পৰা নাগৰিকসকলক ৰক্ষা কৰিবলৈ ভাৰতত দৰকাৰ এক সুস্থ ‘কৰ্মচাৰী নীতি’!***

আমি কৰ্মসংস্থানক সুৰক্ষা দিয়া উচিত, কৰ্মচাৰীক নহয়, বিশেষকৈ যিসকল প্ৰত্যাশা অনুযায়ী যোগ্য নহয় আৰু *যিসকল কৰ্ম সংস্কৃতি আৰু কৰ্ম নীতিৰ সাধাৰণ মানদণ্ড অনুযায়ীও কামত নিপুণ নহয়।* বিশেষকৈ যিহেতু নিয়োগ বিনিয়োগ কেন্দ্ৰত নাম পঞ্জীয়ন কৰি ৰখা ৪০০ পৰা ৪৫০ লাখ নিবনুৱা আমাৰ আছে। আচলতে সুস্থ-সবল নিবনুৱা ভাৰতীয়ৰ সংখ্যা ২-ৰ পৰা ৬গুণ বেছি হব পাৰে (আমাৰ অনুমান)।

ইয়াৰ ভিতৰত পৰে C2C অৰ্থাৎ চিইঅ’বা চেয়াৰমেনৰ পৰা কুলীলৈকে। লেবাৰ ল বা শ্ৰমিক আইন শব্দ দুটা ১৯ শতাব্দীৰ সৈতেহে খাপ খায়। ই আচলতে হব লাগে কৰ্মচাৰী আইন। ভাৰতৰ জনসাধাৰণ আৰু নেতাসকলে প্ৰচাৰ মাধ্যমত ৰাজহুৱা বিতৰ্কৰ জৰিয়তে এই বিষয়ে সিদ্ধান্ত লোৱা উচিত আৰু পাৰ্লিয়ামেন্টে সৰ্বোত্তম কাৰ্যব্যৱস্থাৰ চূড়ান্ত ৰূপ দিয়া উচিত।

*কৰ্মসংস্থান হ্ৰাস কৰা সম্বন্ধে কোনো প্ৰকাৰৰে ৰাষ্ট্ৰীয় নীতিৰ বাবে আমি পৰামৰ্শ নিদিওঁ। কৰ্মচাৰী কম কৰা আৰু মানৱশক্তি বঢ়োৱা বা কমোৱাৰ বিষয়ে নিজেই সিদ্ধান্ত লবলৈ সংস্থাসমূহক অনুমতি দিয়া উচিত। কেৱল সুস্থ সংস্থাসমূহেহে নতুন কৰ্মসংস্থান সৃষ্টি কৰিব পাৰে।*

*ওপৰৰ ৪ নং পেৰাগ্ৰাফত বিশেষকৈ ক্লজ # ৪ (২), (৩), (৫), (৬) আৰু (৭)-ত উল্লেখ কৰাৰ দৰে যদি কোনো কৰ্মচাৰী আশানুৰূপ নহয়, তেন্তে কৰ্মচাৰীক বদলাবলৈ সংস্থাটোক অনুমতি দিয়া উচিত।*

*আপুনি সিদ্ধান্ত লওক।* ১১০ কোটি ভাৰতীয় জনসাধাৰণৰ ‘অন্তৰ্নিহিত শক্তি’ এই এক দফীয়া কাৰ্য যোজনাখনে নিশ্চয় মুকলি কৰি দিব পাৰিব।

উপৰোক্ত পৰিস্থিতিৰ অধীনত **সুশাসন আৰু কাৰ্যকৰী প্ৰশাসনৰ** জৰিয়তে আমি দেশখন বাৰু কেনেকৈ নিয়াৰিকৈ চলাব পাৰিম? আমাৰ ৪৮ পৃষ্ঠাৰ, পুস্তিকা, **ট্ৰেঞ্চফৰ্মিং ইণ্ডিয়া***-ত উপযুক্ত **একশ্যন প্লেনৰ** সৈতে বৰ্ণনা কৰাৰ দৰে প্ৰথমে আমি **“আমাৰ ঘৰখন শৃংখলাবদ্ধ”** কৰিব লাগিব। বাকীখিনি নিজেই ঠিক হৈ যাব।

অধিক জানিবৰ বাবে অনুগ্ৰহ কৰি আমাৰ ৱেবচাইট www.wakeupcall.org চাওক। **‘ভাৰতৰ বাবে কাৰ্য যোজনা’**-ৰ কপি ইংৰাজী, হিন্দী, গুজৰাটী, মাৰাঠী, বাংলা, অসমীয়া, উৰিয়া, তামিল, তেলেগু, কানাড়া, পঞ্জাবী, উৰ্দু আৰু মালয়ালম ভাষাত পোৱা যায়।

আমাৰ ৱেবচাইটৰ পৰা ইংৰাজী, হিন্দী, গুজৰাটী, মাৰাঠী, বাংলা, অসমীয়া, উৰিয়া, তামিল, তেলেগু, কানাড়া, পঞ্জাবী, উৰ্দু আৰু মালয়ালম ভাষাত ৪৮ পৃষ্ঠাৰ পুস্তিকা, **‘ট্ৰেঞ্চফৰ্মিং ইণ্ডিয়া’**-ৰ বিষয়বস্তুৰ নমুনা আপুনি ডাউনল’ড কৰিব পাৰে।

# *i Watch*

Edited, Published and Printed for *i Watch* by Krishan Khanna. He is from IIT, Kharagpur. Between 1961 to 1992 he was responsible for 14 joint ventures and business partnerships with 14 different countries around the World. In 1993 he took ‘Sanyas’ from business for **Nation Building** and **Transforming INDIA**.

Krishan Khanna is Chairman - Vocational Education & Training Committee – **EPSI,** Educational Promotion Society of India, New Delhi. Co-Chairman - Committee on Education & Industry Co-operation, - **PHDCC&I,** New Delhi, Member - CII National Committee on Education, New Delhi, Director - Vocational Services, **Rotary International,** Rotary District 3140, Bombay Mid Town, Bombay, Member **Planning Commission** Committee on Secondary Education & Vocational Education, New Delhi, Member 11th Plan Committee of **IGNOU,** New Delhi, Advisor - Vocational Education & Training, Times Foundation, New Delhi, Member **FICCI** National Committee on Education, New Delhi, **ASSOCHAM** National Committee on Education, New Delhi, Member 11th Plan Working Group of the **Ministry of HRD,** New Delhi and Member of the Board of the **AICTE,** New Delhi. The views and opinions expressed are Krishan Khanna’s personal views and some points may not be accepted by some or all of the above mentioned organizations. Feedback & comments to *i Watch* 211, Olympus, Altamount Road, Mumbai 400 026. Email krishan@wakeupcall.org Website: www.wakeupcall.org Tel +91 22 2353 5466, Fax +91 22 2353 6782.
*INDIA 1st* is a division of *i Watch*

পাঠকসকললৈ বতৰা:- অনুগ্ৰহ এই কথাখিনি আপোনাৰ বন্ধু-বান্ধৱ, সহযোগী তথা স্থানীয় স্কুল-কলেজৰ অন্ততঃ এজন শিক্ষকক পঢ়িবলৈ দিয়ক।

Organizations which have supported us in the past

TIMES FOUNDATION THE TIMES GROUP · EPSI The Knowledge Vehicle · VOTE INDIA A NATIONAL CAMPAIGN FOR POLITICAL REFORMS IT IS TIME. · IndianNGOs.com · hudco · IDFC · WORLD COUNCIL FOR CORPORATE GOVERNANCE · CMS · HDFC · TATA · shaadi.com The World's Largest Matrimonial Service · ROTARY INTERNATIONAL